**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

ooooo

১। অসমৰ যুৱ শক্তিৰ অন্তৰত অপাৰ সাহস, সামৰ্থ্য আৰু অসীম সম্ভাৱনা লুকাই আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া ৰাজনৈতিক কাৰ্য্যকাল পূৰ্তি উপলক্ষে সেৱা সমৰ্পণ মাহৰ আয়োজন।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ কাছাৰত নিচামুক্ত ভাৰত সংকল্প অনুষ্ঠানত অংশগ্ৰহণ।

৪। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ পৰীক্ষা।

***আৰু***

৫। অসম আৰক্ষীৰ সীমান্ত শাখাৰ অভিযানত ২৭ জন বাংলাদেশী নাগৰিক আটক।

ooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত আজি হিতাধিকাৰীসকলৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই অভিযানৰ অধীনত মুঠ ৮২ হাজাৰ ২১৯ গৰাকী যুৱ উদ্যোগীৰ মাজত ২৭৮ কোটিৰো অধিক টকাৰ সাহায্য বিতৰণ কৰে। ড০ শৰ্মাই যুৱ শক্তিক আত্মনিৰ্ভৰ অসমৰ আটাইতকৈ বৃহৎ শক্তি বুলি উল্লেখ কৰি তেওঁলোকক নিজৰ লগতে আনকো সংস্থাপিত কৰাৰ বাবে উৎসাহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ যুৱ শক্তিৰ অন্তৰত অপাৰ সাহস, সামৰ্থ্য আৰু অসীম সম্ভাৱনা লুকাই আছে। চৰকাৰে প্ৰদান কৰা অনুদানেৰে যুৱক-যুৱতীসকলে নিজকে সফল উদ্যোগী হিচাপে প্ৰতিষ্ঠা কৰি সফলতাৰ কাহিনী সমাজত বিলাই দিবলৈ আহ্বান জনায়।

বাইট (চি এম)

যুৱচামৰ প্ৰতিটো সফলতাই অসমত ইতিবাচক পৰিৱৰ্তনৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যত ঔদ্যোগিক পৰিবেশ নিৰ্মাণৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যুৱ উদ্যমীসকলক অসমত স্থাপন হোৱা বৃহৎ উদ্যোগসমূহৰ বাবে প্ৰয়োজনীয় কেঁচামাল উৎপাদনত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান আঁচনিৰ অধীনত আজি ৬৮৭ গৰাকী হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। বকোৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আয়োজিত সভাত বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

শিৱসাগৰ সমষ্টিৰ দুহেজাৰ ২১৫গৰাকী হিতাধিকাৰীৰ মাজতো আজি চেক বিতৰণ কৰা হয়। জিলা আয়ুক্ত মৃদুল যাদৱৰ উপস্থিতিত শিৱসাগৰ বিশ্ববিদ্যালয়ত আয়োজিত অনুষ্ঠানত এহেজাৰ ৮৩০গৰাকী হিতাধিকাৰীক ২৫ হাজাৰ টকাকৈ প্ৰাথমিক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। তদুপৰি প্ৰথম পৰ্যায়ত নিৰ্বাচিত ৩৮৫গৰাকী হিতাধিকাৰীক ১ লাখ টকাকৈ অনুদান প্ৰদান কৰা হয়।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযানৰ অধীনত কোকৰাঝাৰৰ বডোফা সাংস্কৃতিক প্ৰকল্পত ৪৮৭গৰাকী হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰা হয়। ইপিনে ৩ হাজাৰ ১৮৬গৰাকী যুৱ উদ্যোগীক এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ২৫ হাজাৰ টকাকৈ বিতৰণ কৰা হয়।

বজালী সমষ্টিৰ নিৰ্বাচিত হিতাধিকাৰীসকলক পাঠশালাৰ হৰিমন্দিৰত আয়োজিত এটা অনুষ্ঠানত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত বজালীৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে যুৱক-যুৱতীসকলক উদ্যোগ, কৃষি, পশুপালন আৰু মীন পালনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিভিন্নজনে নেতাগৰাকীক শুভেচ্ছা জনাইছে। শ্ৰীমোদীৰ গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে আজি গুজৰাটত তেওঁৰ জন্ম চহৰ ৱাদনগৰ আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সংসদীয় সমষ্টি বাৰাণসীত এহেজাৰ লোকে অংশগ্ৰহণ কৰা দুটা মটৰ চাইকেল সমদলৰ আয়োজন কৰা হৈছে। এই সমদলে ১০ খন ৰাজ্যৰ ৪০ হাজাৰ কিলোমিটাৰ পথ অতিক্ৰম কৰিব। এই সমদলৰ আৰম্ভণিৰ কাৰ্য্যসূচীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহ মন্ত্ৰী অমিত শ্বাহ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলকে ধৰি ভালেসংখ্যক নেতাই অংশগ্ৰহণ কৰে। দিল্লী চৰকাৰে সেৱা সমৰ্পণ মাহৰ শুভাৰম্ভণি উপলক্ষে আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজিৰে পৰা অহা ১৭ অক্টোবৰলৈ কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নেতাগৰাকীক শুভেচ্ছা জনাই ৰাজ্যবাসীক এগছিকৈ বন্তি জ্বলাবলৈ আহ্বান জনাইছে।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা **সেৱা সমৰ্পণ মাহ**ৰ অংশস্বৰূপে তামুলপুৰ, শিৱসাগৰ, বৰপেটা, যোৰহাট আৰু পশ্চিম কাৰ্বি আংলং জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই কাৰ্য্যসূচীৰ অংশ হিচাপে সন্ধিয়া প্ৰধানমন্ত্ৰী আৱাস যোজনা, অৰুণোদয়, আত্ম-সহায়ক গোট, ৰেচন কাৰ্ডকে ধৰি বিভিন্ন চৰকাৰী জনকল্যাণমূলক আঁচনিৰ হিতাধিকাৰীসকলৰ লগতে চৰকাৰী কাৰ্য্যালয় আৰু চৰকাৰী বাসগৃহত এগছিকৈ বন্তি প্ৰজ্বলন কৰা হৈছে। এই বন্তি, জনকল্যাণমূলক আঁচনিসমূহে ৰাজ্যৰ লাখ লাখ পৰিয়াললৈ কঢ়িয়াই অনা সন্মান, নিৰাপত্তা আৰু আশাৰ প্ৰতীক বুলি অভিহিত কৰা হৈছে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে বৰাকলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি কাছাৰ জিলাৰ পাইলাপুলৰ নেহৰু মহাবিদ্যালয়ত নিচামুক্ত ভাৰত সংকল্প অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টি তথা যুৱক-যুৱতীসকলক মাদক দ্ৰব্যৰ পৰা মুক্ত হৈ থকাৰ বাবে বাৰ্তা দিয়ে। কাছাৰ জিলাৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে প্ৰকাশ কৰি ৰাজ্যপালগৰাকীয়ে সমাজত সুস্থ পৰিৱেশ বজাই ৰখাটো সকলোৰে কৰ্তব্য বুলি উল্লেখ কৰে। তেওঁ কয় যে মাদক দ্ৰব্য মুক্ত সমাজ গঢ়াৰ বাবে শিক্ষাৰ প্ৰসাৰ অতি প্ৰয়োজন। তদুপৰি এই ক্ষেত্ৰত নিয়মীয়াকৈ সজাগতা অভিযান ৰূপায়ণ কৰা সন্দৰ্ভত তেওঁ গুৰুত্ব আৰোপ কৰে।

বাইট (ৰাজ্যপাল)

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশহিচাপে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজিৰেপৰা এই দিৱস পালন কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে আজি জুবিন ক্ষেত্ৰত আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। জুবিন দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক অনুষ্ঠান, পৰহিলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হৈছে।

ইপিনে, অহা ১৯ ছেপ্তেম্বৰত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। সেইদিনা বিজেপিৰ কাৰ্যকৰ্তাসকলে ৰক্তদান কৰি প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিব। দলৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে এই বিষয়ে সদৰি কৰি কয় যে ৰাজ্যৰ ৩৯খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। মুখপাত্ৰগৰাকীয়ে জনোৱা মতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয়, অটল বিহাৰী বাজপেয়ী ভৱনৰ বাকৰিত আয়োজিত শিবিৰত ৰক্তদান কৰিব।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি মৰিগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মৰিগাঁও মহাবিদ্যালয়ত ভোটগ্ৰহণ বিষয়া আৰু নিৰ্বাচনী বিষয়াসকলৰ দ্বিতীয় দিনৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত ই ভি এম আৰু ভিভি পেট পৰিচালনাৰ লগতে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনা আৰু নিৰ্বাচনী প্ৰক্ৰিয়া সম্পৰ্কে ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়া দেৱজ্যোতি হাজৰিকাৰ জেৰা আজিও অসম্পূৰ্ণ হৈ ৰয়। কালি অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই জেৰা সম্পূৰ্ণ কৰাৰ

পাছত আজি আন তিনিজন অভিযুক্তৰ অধিবক্তাই হাজৰিকাক জেৰা কৰে। কিন্তু জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাত আদালতে দেৱজ্যোতি হাজৰিকাক কাইলৈ পুৱা চাৰে ১০ বজাত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ইতিমধ্যে প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী আৰু প্ৰতীম লহকৰে ফাষ্ট ট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰিছে।

ooooo

অসম আৰক্ষীৰ সীমান্ত শাখাই অভিযান চলাই ২৭জন বাংলাদেশী নাগৰিকক আটক কৰিছে। সীমান্ত আৰক্ষীয়ে গুৱাহাটীৰ পল্টন বজাৰৰ পৰা ১২জন আৰু ৰে'ল আৰক্ষীৰ সহযোগত বঙাইগাঁৱৰ পৰা ১৫জন বাংলাদেশী লোকক আটক কৰে। এই সন্দৰ্ভত আজি এখন সংবাদ মেলত সীমান্ত শাখাৰ উপ-আৰক্ষী অধীক্ষক কুলেন্দ্ৰ প্ৰসাদ ডেকাই কয় যে মেঘালয়ৰ ডাউকীৰ পৰা বাংলাদেশী লোকৰ এটা দল গুৱাহাটীলৈ অহাৰ তথ্য লাভ কৰাৰ পাছতে আৰক্ষীয়ে অভিযান চলাই পল্টন বজাৰৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ চৌহদৰ পৰা কালি প্ৰথমে ১২জনক আটক কৰে। দলটোৰ বাকীকেইজন লোকে ৰে'লেৰে যাত্ৰা কৰা বুলি তথ্য পোৱাৰ পাছত ৰে'ল আৰক্ষীৰ সহযোগত জম্মু-টাৱে এক্সপ্ৰেছ ৰে'লগাড়ীৰ পৰা ১৫জন লোকক আটক কৰা হয়। আটক কৰা লোককেইজনৰ ভিতৰত ১১গৰাকী মহিলা আৰু ১৬জন পুৰুষ আছে বুলি উপ-আৰক্ষী আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট (উপ-আৰক্ষী আয়ুক্ত)

ooooo

সমাপ্ত